# হাঁহিচম্পা

সৰুতি মোৰ আপীটোক গাঁৱৰ মানুহগিলাখানে এন্‌কেইহে কয়—“এইটো চোন কেনে আপী এ, ইমানগিলান খেলনা দিছি, ছলিগিলাখানে ইমান মুখ ভেংচাইছি, তবু এবাৰ হাঁইহ্‌বা নাজ্‌নে! দে মাই হাঁহ দে এবাৰ, চা চাছো চা মোৰ মুখৰ দিকি চা— হে হে হে— হা হা হা— হে মাই বধ দিছো হাঁহ এ এবাৰ—, গালত টিপি, মুখ ভেংচাই নানান ভাও দি এন্‌কে এন্‌কে কয়, কিন্তু আপীটোই খালি ফেল ফেল কৰি খালি চাই হে থাকে, বেছি গোলমাল কইৰলি কাইন্দি দেয়। একমাহ দুইমাহ তিনমাহ এন্‌কে ছয়মাহ আঠমাহ গেল, আপীটোৰ মুখত একফোটা হাঁহি নাই! মোৰ একেটা আপী, তাইৰ এমান আমাজিমান মুখ, চাই চাই মোৰ মনটো কেন্‌বা লাগি যায়, বাপেকৰ মুখখানো আন্ধাৰ হৈ থাকে। এন্‌তে এদিন মহ্‌ৰীৰ তলত তাইৰ গাত মহ এটা পৰিল, মহটো মাইৰবা যাই মোৰ আঙুলটো তাইৰ কাষলতিৰ তলতি লাগিল, আপীটোই খিলিক্‌কে হাঁহি দিলাক। মোৰ তো গটে উত্ৰাবল লাগি গেল, মই চিএঁৱৰবা ধইৰলু, হে হে চা ৰে, আপীটোই হাঁহি দিছি—হে চলিৰ বাপেক, চা ৰে, এ নাহা কিয়া এ—

আপীৰ বাপেক হুৰামুৰা লাগাই গোহালিৰ পেৰে দাউৰি আহিল, বিশ্বাসেই কইৰবা নাচায়। মই আকৌ কাষলতিৰ তলত আঙুইল কুৎকুতাই দিলু, আপীটোই আকৌ খিলিক্‌কে হাঁহি দিলাক। আপীৰ বাপেকৰ মুখত হাঁহি আৰ নধ্‌ৰে, তেওঁও আপীটোক কেৎকুতি দিবা ধইৰলাক। আপীটোৰ খিলিক্ খিলিক্ হাঁহি আৰ থাইম্‌বা নাচায়, লগে লগে আমাৰো আৰ হাঁহি থাইম্‌বা নাচায়। গোটাই ঘৰখানতে চলিটোৰ কোমাল খিলিক্ খিলিক্ হাঁহি জম্ জম্ কইৰবা ধইৰলাক। চলিৰ বাপেকে তাইৰ হাতে পেটে গায়ে মূৰে কেৎকুতি দি তৰ্‌ণি নাপায়, চলিটোই হাঁহে আৰ চলিৰ বাপেকেও হেঃ হেঃকৈ হাঁহে, লগে লগে মোৰো হাঁহি আৰ থাইম্‌বা নাচায়, হাঁহি হাঁহি গটে মোৰ চকুৰ পানী ওল্‌বা ধইৰ্‌লাক—

পিচ দিনাৰ পৰা ওচৰ কাষৰৰ গোট্ৰাইমখাই আহি আপীটোক কেৎকুতি দি হাঁহাবা ধৰে, হে হে আমিও চাওঁ দি এ, দে মাই হাঁহ দে—এ, হাঁইহ্‌ছি, হাঁইহ্‌ছি, চা ৰে চা ৰে, কেমান পোহাৰ হৈছি মুখখান, এঃ এমান দিনৰ মূৰত আজি একেবাৰে হাঁহিচম্পাটো হৈছি— দেঃ, এইৰ নাম হাঁহিচম্পাই ৰাইখ্‌বা লাগব দে। এন্‌কে মানুহৰ মুখে মুখে তাইৰ নাম হাঁহিচম্পাই হৈ গেল। আৰ চলিগিলাখানৰ কথা তো আৰ কবাই নাল্‌গে, মই কওঁ হে কওঁ, হে হব দে ৰে, আৰ কেমান হাঁহা, থাম থাম, চলিটোই গাথি খাব, পেট বিহাব, থাম এ—নাই, তাহ্‌নাই ক'ত মোৰ কথা শুনে, মোৰ দাবী খাই দাউৰ মাৰি পলাই, আকৌ মই নাথ্‌কা হেন দেখ্‌লিই পুৰুৎকে কৰ্বাৰ পৰা সোমাই আহি এবাৰ খচ্‌কে

কেৎকুতি দি পলই যায়, আপীটোৰ খিলিক্ শুনি মই ঢেকীশালৰ পৰা দাউৰি আহো। বাপেক পথাৰক গেলি মই আপীটোক মিঠাতেল সানি চোতালতে ঢাবি এখানত ঘুমাই থৈ ঘৰৰ কাম-কাজ কৰো, মই চহৰক মানুহৰ ঘৰত চাউল বাছি দিবা গেলি বা কাবাৰ ঘৰৰ পৰা ঢেকীত খুইন্দবাক লাগি ধান লৈ আইন্‌বা গেলি বাপেকে কোলাত লৈ বহি থাকে। মই কৈ যাওঁ, আপীটোক কেৎকুতি নিদ্‌বি, গাথি খাব। ক'লি কি হ'ব, মই আহি দেখো, যি ভাব্‌ছিলু সেটোই, আপীটোক খিলিক্ খিলিক্ কইৰছি, লগে লগে বাপেকো, দুইৰো মুখত মহা ফুৰ্ত্তি। মোক দেখি খৰ্‌মৰ্‌কে হাঁহি থামাবা চায়, মই নেদ্‌খা ভাও ধৰো। বাপেকে কয়, হঁয়ে চলিৰ মাক, এইকনো কেন্‌কে ঘৰৰ পৰা উলাই দিবি এ? মই কওঁ, আপী ডাহাৰ হলি নো কি কইৰবা পাৰি, দিবাই লাগ্‌ব দে। বাপেকে কয়, এঃ, মোৰ হলি মন নাচায় দে—হঁয়ে, এটা ঘৰ জোৱাই নো নাপাম না বিচিব্‌লি? ঘৰতে থাইকব, তোৰো কাম-কাজ কৰি দিবা পাইৰব—তোক হলি কলো দে, আজি বাদে কালি মোৰ কিবা এটা হবা লাইগ্‌লি তই সেনে চলি এটাকে চাবি—। মই কওঁ, ইঃ ৰাম ৰাম, এইগিলান অসৎ কথা নো কিয়া কহ এ—, এই বুলি মই আৰ কথা বাইঢ়বা নিদি গুচি যাও, বাপেকে চলিটোক আকৌ কোলাত তুলি লৈ বহি থাকে.....কিন্তু একবছৰ পাৰ নহওতেই তাৰো আধ্যা পৰিল। এদিন চহৰৰ পিঞ্চিপালবাবুৰ ঘৰত চাউল বাছি দি আহি দেখো, খিলিক্ খিলিক্ কইৰবা এৰি চলিটো ঢাৰিত শুই শুই কাইন্‌বা ধইৰছি, বাপেকে কাষতে লাং খাই পৰি আছে। হাঁ, এটো চোন কেনে কথা, মোৰ বুকখান চিৰিংকে গেল—

* * *

....হাট্‌ফেল্ কইৰ্‌লাক বোলে। কবাই নৰু, কিয়া এই বয়সতে হাট্‌ফেল্ কইৰবা লাগাত পৰিল। তেইন্তাহে মোৰ মনত খেলালাক, কিবা এটা আজি বাদে কালি ঘটাৰ কথা কিবাকে তেওঁৰো মনত খেলাইছিল হব্ পায়। মোৰ মনত হলি মাছৰ কাঁটাৰ দৰে এটা সন্দেহ বাইজ্‌বা ধইৰলাক—হাঁহি হাঁহি গাথি খালাক নাকি? তাৰ পাছতি ভাইব্‌লু, নাই নাই আপীটোৰ গাতে চোন তেনেহলি দোষ দিবা লাগিল। ছিঃ ছিঃ এইগিলান কি কথা ভাইবছু প্ৰভু, আপীটোৰ গাতে চোন তেনেহলি পাপৰ বোজা পইৰ্‌ব, তাইৰ চোন আৰ তেনেহলি জীবনত সুখ শান্তি হবাৰ নাহয়.....। খেতিৰ আধি দি কোনোপধ্যে চইলছিল, এথেন খেতি বাতি আৰ কইৰব কুনি? মাটিৰ মালিক আমাৰ চহৰৰ বজ্‌ৰ গোসাই, বহুদিন থাকি আছো দেখি তেওঁ যিহক বসতিৰ মাটিডৰাৰ পৰা উঠাই নিদ্‌লাক, কিন্তু তাৰে আধাটুক্‌ৰা নতুন ৰায়তক দি দিলাক, কেওঁটপাৰাৰ গোবিন মেধিক। মাজত বেৰা দি নতুন পজাঘৰ হ'ল। গোবিন মেধিৰ তিৰিছলি আছে, দুটা মাই, ডাহাৰ হৈছি, আৰ এটা বাপু—আমাৰ হাঁহিচম্পাৰ চাই পাচ ছয় বছৰৰ ডাহাৰ। এথেন তো আৰ খেতিবাতিৰ কথা নাই, মইয়ে চহৰত ইঘৰে সিঘৰে চাউল বাছি দিবা যাও, ঢেকীত খুইন্দবাক লাগি ধান লৈ আইহ্‌বা যাও, মই গেলি মেধিহানাই হাঁহিচম্পাক ৰাখে। সেহ্‌নাৰ বাপুটো দেইখবাই শুইনবাই বৰ ঠোগা, তাৰ নাম পিয়নাথ—পিৰ্‌য় নাথ, মোৰ মুখতি নাহে দে, মই তাক পিয়নাথ বুলিই মাতো—সি গটে হাঁহিচম্পাক কেৎকুতি দিই

ৰক্ষা নাপায়, তাৰ বাইদুটাও, আৰ গোবিন মেধিৰ ঘৈন্নেকেও—এজনীয়ে ঢেকী দিছি, এজনীয়ে উৰাল মাইৰছি, গোবিন মেধিৰ ঘৈন্নেকে চোতাল লেপছি, আৰ কাম-কাজৰ মাজে মাজে গোট্টাইমখাই একবাৰ একবাৰ হাঁহিচম্পাক চাই গেছি—আৰ ইস্কুলৰ পৰা আইহ্লিকে পিয়নাথে চিলেট পেন্সিল দলি মাৰি থৈ আপীটোৰ কাষ চাইপ্‌ছি। মাকে দাবী দি কৈছি, হে হে আইহ্লিনা পোনেই দিগ্‌দাৰ কইৰবা—কিন্তু পিয়নাথ বৰ ডাকইত, কাৰো কথা নুস্‌নে, সি দিলাক কেংকুতি দি। মাকে আকৌ দাবী দেয়, হে হে মৰন্নোহোৰা, এ গাথি খাব এ—কিন্তু আপীটোৰ খিলিক্ খিলিক্ শুনি কাম-কাজ এৰি গোট্টাইমখাই হাঁইহ্‌বাও ধৰে, এমান ফুৰ্ত্তি, মোৰো হাঁহি ওল্‌বা ধৰে, হাঁহি হাঁহি গটে মোৰ চকুৰ পানী ওইল্‌বা ধৰে—

* * *

এন্‌কে আপীটো মেধিহানাৰ ঘৰতি ডাহাৰ হবা ধইৰলাক, আঠু কাইঢ়বা পাৰা হ'ল, মা—যা—দে—খা বুইলবা পাৰা হ'ল, লাহে লাহে খোজো কাইঢ়বা পাৰা হ'ল। গোবিন মেধি জহনীত গেল, আপী দুটাক বিয়া দিলাক, ছাত্ৰবিত্তি পাওঁতে পাওঁতেই পিয়নাথ ঘৰৰ পৰা পলাই যাত্ৰাপাট্টিত ছোকৰা হবা গেল। এথেন খালি মই আৰু মেধিৰ ঘৈন্নেক, আমি দুই বুঢ়ী ঘৰত থাইকলু হাঁহিচম্পাক চাবা—মাজৰ বেৰাখান ভাঙি দিলাক, আমাৰ একলগে এখান গিৰ্হস্থি হেনেই হৈ পৰিল.... এন্‌কে এন্‌কে হাঁহিচম্পা খেইলবা পাৰা হ'ল, ছলিপলিৰ লগত দাউৰাদাউৰি কৰে, ভাকুক্কুক্ খেলই, ঘাই-চুৰা খেলই—আৰ লগৰ আপীগিলানে বলে নৰ্‌লি তাইক চল চাই কেংকুতি দি হাৰ মানাব চায়, তাই জিকাৰ মাৰি মাৰি হাঁহে আৰ 'হে নকৰ্‌বি নকৰ্‌বি— মোক নুচ্‌বি নুচ্‌বি—মৰি যাম মৰি যাম' বুলি মাটিত লুটিপুটি খায়, আৰ তাইৰ লগে লগে গট্টাইমখাই মাটিত বাগ্‌ৰি বাগ্‌ৰি হাঁহে—ঘৰৰ পিৰালিৰ পৰা সেহ্‌নাৰ খেলা দেখি আমাৰ দুই বুঢ়ীও কাম-কাজ এৰি হাঁইহবা ধৰোঁ, সেহ্‌নাৰ লগে লগে হাঁহি হাঁহি আমিও জিকাৰ খাবা লাগা হওঁ, হাঁহি হাঁহি গটে মোৰ চকুৰ পানী ওইল্‌বা খোজে—

* * *

এন্‌কে এন্‌কে হাঁহিচম্পা পঢ়াশালিক যাবা পাৰা হ'ল, আমাৰ দুই বুঢ়ীৰ এডাল দুডালকে চুলি বগা হবা ধইৰলাক, দুটা এটা দাঁত ঢিলা হবা ধইৰলাক, গাৰ ছাল সোত্‌ৰাসোত্‌ৰি হবা ধইৰলাক, মাজে মাজে মোৰ মূৰটো বিহাই, আৰু ইপিনি হাঁহিচম্পাৰ হাতভৰি পূৰ হৈ আইহ্‌বা ধইৰলাক, চকুই মুখে আপীৰ গঢ় ল'বা ধইৰলাক, গামচা পিন্ধবা এইৰ্‌লাক, গামচাগিলান চিলাই তাৰে সৰু সৰু মেখ্‌লা কইৰবা লাগাত পৰিল, শুদা গায়ে আৰ নাথ্‌কে, বেলাউজ কৰি দিবা লাগা হ'ল। কাণত কেৰু গুইজলাক, বেণী গুথি দিবা লাগা হ'ল, দেখাক দেখি শম্ভুমহাজনৰ দোকানৰ পৰা ৰঙা নীলা ফিটাও আনি দিবা লাগা হ'ল—আৰ এন্‌কে এন্‌কে তাইৰ কেংকুতিৰ কথাও মানুহে পাহ্‌ৰিবা ধইৰলাক, তাইও আৰ কান্দি কান্দি দাউৰি আহি 'মাই, মই কুসুমহানাৰ লগত নেখ্‌লু—চবে মোক বেইমানী কৰি এমান কেংকুতি দিবা ধৰে'—বুলি গোচৰ নেদেয়। তাইৰ চবে মোক বেইমানী কৰি এমান কেংকুতি দিবা ধৰে'—বুলি গোচৰ নেদেয়। তাইৰ নামটোও ইস্কুলত মাষ্টৰে বদলে দিলাক— হাঁহিচম্পা গুচি এথেন তাইক চবে চম্পা

বুলি মাতে। মাজে মাজে যাত্ৰাপাট্টিৰ পৰা পিয়নাথ ঘৰক আহে। সিও তাইৰ হাঁহিচম্পা নামটো লাহে লাহে পাহ্ৰি গেল—পুৰুংকে কৰ্বাৰ পৰা আহি দুদিন থাকি পুৰুংকে গুচি যায়। সিও পতিবাৰ এক এক খোপ ডাহাৰ হৈ আহে, এক এক খোপ ঠৌগা হৈ আহে—সিও পেন্ এইৰছি, ধুতি পিন্ধি আহে, নহলি ঠেঙা পিন্ধি আহে, চুলিত সেওতা দিবা এইৰছি, উল্টাদিকি চুলি আচ্ৰে, জোতা পিন্ধই, তাৰ চোলাৰ জেপত দেচলাইবাহৰ শব্দ হয়। পিয়নাথৰ মাকে কয়, এ বাপু, হৈছি দি এ, আৰ কেমান বাইহৰে বাইহৰে পাট্টি কৰি থাইকবি, এথেন পঢ়া-শুনাটোকে শেষ কৰ, নক্ৰা যদি মোৰ লগতি থাক,—কিন্তু সি 'হব দে, হব দে, এইবাৰ চিজিন শেষ হলিকি আহিম দে' বুলি পলই যায়। কিমান চিজিন গেল, সি বাইহৰে বাইহৰেই থাকিল। তাৰ মতি-গতি আমি দুই বুঢ়ী ভাল নাপলু, সি ক'ত কি কইৰবা ধইৰছি মাকে ভাবি মৰে, মাকৰ লগে লগে মইও ভাবি মৰো—

হয় দে, মইও ভাবি মৰো, মাজে মাজে মোৰ মূৰটো বিহাই। নাই, এন্কে বেছিদিন থাকলি কথাটো ভাল হবাৰ নাহয়, ক'ত কি কৰি ফেল্ব সি—ঘুনুকঘানাককে দুই এটা কথা ওলবাই ধইৰছি—আৰ এনে চলি ক'ত পাম? চম্পা এথেন পঢ়াশালি সাং কইৰছি, কুনিও আৰ তাইক কেংকুতি নেদেই, তাইও আৰ য'তি ত'তি লৰি চৰি নুফ্ৰে—ঘৰৰ চালত উঠি কোমৰা পাৰবাও নাযই, ঘুলিত পানী খেদ্লি খেদ্লি লগৰ আপীগিলানৰ লগত কোঢ়াল লাগাই সাতুৰবাও নাযই, ঘৰৰ কাম কৰে। গামচাৰ মেখলা এইৰছি, মোৰ পুৰাণি মেখ্লা পিন্ধই, ঢেকী দেয়, উৰাল মাৰে, মুখখান গহীন গহীন কৰি চলে। এদিন তাই চৌকাত খৰি ফুৰাবা ধৰোঁতে মই চেগ চাই পিৰা এখানত বহি পিছফালৰ পৰা ক'লো, 'মাই এ, তোক এটা কথা সোধো দে।' তাই জানো কি বুইজলাক, খৰি ফুৰাবা এৰি চুঙাটো হাততি লৈ ৰৈ গেল। 'তোৰ পিতাৰে যাবাৰ আগে মোক কৈ থৈ গেইছিল, পাৰ্লি যেন তোক ঘৰতে ৰাখো—পিছে তোক নোসোধাকে তো আৰ সেটো কইৰবা নৰো।' আৰ এই বুলি তাইক গোটাইখিনি কথা বিত্তান্ত দি কলো। তাই মোৰ পিনি পিচমুৰাকে থিয়া দি তলমুৰা কৰি নখ চিকুটি চিকুটি চব শুইনলাক, তাৰ পাছত মুখ নোতলাকৈয়ে কলাক্, 'পিতাই সেন্কে কৈ থৈ গেছি যদি কৰবি দে তাকে'—এই বুলি সাউংকে পাকঘৰৰ পৰা ওলাই গেল। গধূলি খুন্দাটো মাজত লৈ যেথেন আমি দুই বুঢ়ী বইহ্লু, মই কৈয়েই ফেললো, 'হে পিয়নাথৰ মাক, চম্পাকে নো তোৰ বৰী নকৰাহ্ কিয়া—সেটো হলি চোন সি আৰ ঘৰ এৰি বাজে বাজে নাথ্কে'—আৰ পিয়নাথৰ মাকেও তামোল খুইন্দবা এৰি কলাক, 'এ হয় দে, মই কম কম বুলি ভাইবছিলুই, তইয়েই কলি— এ বৰ জুৰ লাগিল দে মনটো, হয় এ, তাক এথেনে ঘৰ পাতি নেদ্লি সি উছন যাব হেন পাইছু এ, আৰ তোৰ আপীৰ দৰে আপীনো তাক যতি ততি কুনি দিবা যাব—'

* * *

এদিন চাকা ডুবাৰ পৰত গোটাই আকাশ ক'লা কৰি আইনছি, মস্ত বইহান আইহ্ব, গাই গৰুগিলান তাৰাতাৰিকে ঘৰৰ দিকি চাইপ্ছি, মই আৰ পিয়নাথৰ মাকে পিছ চোতালত খৰধৰকে খৰিগিলান ভিতৰ চাপাবা ধইৰছু, এনতে দেইখলু, পথাৰৰ মাজে মাজে আকাশৰ দিকি চাই চাই বেগাবেগিকে হাতত টিনৰ বাক্সটো লৈ পিয়নাথ

আইহবা ধইৰছি। মই ক'লো, হে পিয়নাথৰ মাক, চা ৰে তোৰ পুতেৰ আইহবা ধইৰছি— পিয়নাথৰ মাকে এবাৰ সিদিকি চাই লৈ কলাক, দে আইহব দে, এথেন এইকিডাল সুমা....। খৰিকিডাল সুমাবা শেষ হবাৰ পাচতো পিয়নাথৰ মাত নুস্‌নি মই ভাইব্‌লু, ই ক'ক্‌নো গেল, আৰ তাকে ভাবি বাহিৰৰ দিকি ওলাই আইহলু। চাও যে সি বাকচটো নামাই থৈ ভেবা লাগি পিৰালিমুখতে বৈ আছে, তাৰ দিকি পিঠি দি চম্পাই তেথেনো ঘতম্ ঘতম্‌কে উৰাল মাইৰবা ধইৰছি—এথেনে গটে আন্ধাৰ কৰি বইহান আইহব, চাউলখিনি শেষ কইৰবা লাগে—চম্পা গাভৰু হৈছি, উৰালৰ ঘতম্ঘতম্‌ৰ লগে লগে তাইৰ গোটাই দেহটো দুইলবা ধইৰছি, সি তাইৰ পিছনদিকিৰ পিনি খখ লাগা হেন কৰি চাবা ধইৰছি, তাই হলে কবা নৰে, উৰালৰ শব্দতে সি আহাই কবা নৰে। এনতে উধাইমুধাই বইৰ্হান আইন্‌লাক, তাই উৰালমাৰিডাল তুইলবা যাই ঘূৰি দেখে—পিয়নাথ, আধা আন্ধাৰত মুখখান মইন্‌বা নৰি। তাই খচ্‌মচ্‌কে গাৰ কাপোৰ খান টানি লৈ কলাক—'হেঃ, দাদা! মই চক্ খাই গেলু—কেথেননো আইহলি?' সি এবাৰ হাঁইহ্‌লাক, আৰ তাইৰ কাষ চাপি কলাক, 'আইহলু ৰ। তোকেই চাইচ্‌লু—বহুত দিনৰ পাচত তোক দেখি আজি মনত পৰিল দে—হাঁ এ চম্পা, তোৰ কেৎকুতি আছেন্নাই আজিকালি?' এই বুলি সি তাইৰ পিনি হাত বাঢ়াই দিলাক, তাই খিলিক্‌কে 'ধেৎ দাদা কি কৰাহ— নুচ্‌বি নুচ্‌বি' বুলি কৈ উইঠলাক, কিন্তু সি সৰুতি কৰাৰ দৰে পুৰুৎকে নিলাক তাইৰ কাষলতিৰ তলত হাতখান সুমাবা— নে নিবা নাপ্‌লাক, আন্ধাৰত ভালকে মইন্‌বা নইৰলু—কিন্তু তাইও সৰুতি কৰাৰ দৰে জিকাৰ মাৰি খিলিক্‌কে হাঁহি উইঠলাক। মই দেইখলু আৰ আগবাইঢ়বা দিবা নৰি, মই চিঞৰ দিলু, হে চম্পা, তোৰ হৈছি নে নাই এ—

* * *

সিদিনাৰ থাকি মোৰ সন্দেহ হবা ধইৰলাক, সি অ'ত ত'ত লোকৰ আপীৰ লগত লেটিপেটি কইৰবা যাবা কথাগিলান গোটে মিছাও নাহয় নাকি, আৰ মণ্ডলৰ জীয়েকৰ কথাটো তো গাঁৱৰ চবেই ফিচিং-ফাচাং কৰেই (আমাৰ দুই বুঢ়ীৰ আগত হে কুনিও কিছু নাকই, কিন্তু বুঢ়ী হলো বুলি আমাৰ আৰ কিবা চকু কাণ নাই না?)—হলিও ঈশ্বৰে মণ্ডলৰ আপীটোক বাচইছি—পিয়নাথকো বাচইছি—সেনে কিছু হবা নাপ্‌লাক। সি বোলে এইবাৰ একেবাৰে ঘৰ বুলি আইহ্‌ছি, যাত্ৰাপাট্টিটো ভাঙি গেছি, সি আৰ বাইহৰক নাযই, ঘৰতে থাইকব, খেতিবাতি কইৰব। মাকে ভালেই পালাক, আৰ মইও ভালেই পালো দে, এইবাৰ যদি তাক আপীটো গটাবা পাৰি। দুইটাৰে মিল থাকা হেনো পায়—চেংৰা ছলি বাজে বাজে ছাড়ি দিলি দুই একঠাইত লেটিপেটিতো কইৰবা চাবই, সেটোকে আৰ চিৰাদিন ধৰি থাইকবা পাৰি না— আৰ দেৰী কইৰবা নাল্‌গে, সোনকালে লেঠাটো মাৰি দিবা পাইৰ্‌লি চবৰি চবপিনি ভাল হ'ব, দুই বুঢ়ী শান্তিত মইৰবা পাৰিম.........

দিলু দে সেহ্‌নাৰ বিয়াখান' পাতি। পিয়নাথৰ মাকৰ আৰ আনন্দ নধৰে, মানুহৰ কথা শুনি মইও লগে লগে হাঁইহ্‌বা চাও—হয় দে, ঘৰতে জী-জোৱাই! কিন্তু দিলু হয়, মোৰ ভিতৰত হ'লি কিবা এটা চিন্তাই চবসময় মাছৰ কাঁটাৰ দৰে বিন্ধবা ধইৰলাক।

চোতালৰ সিপিনিৰ সৰু ঘৰটোতে নতুন বৰ-কইনাক থাইকবা দিলু, সিপিনি আৰ আমি দুই বুঢ়ী নাযাওঁ, পিয়নাথ কেথেন ঘৰত আহে কেথেন বাজক যাই আমি আৰ গম নাপাওঁ। দহ দিনাৰ দিনা বেলা ভাটি মই আৰ পিয়নাথৰ মাক কীৰ্ত্তনঘৰক গেলু নাম ধইৰবা, কিন্তু ঠাউক্‌তে মোৰ মূৰটো আকৌ বিহাবা ধইৰলাক, সেইথাকি মই এক্‌লাই ঘৰক গুচি আইহলু। তেথেন সাঁজ লাইগবাৰ হৈছি, গটে নিস্তব্ধ। চম্পা তাইৰ নতুন ঘৰত লৰাচৰা কইৰবা ধইৰছি, গম ধইৰবা পাইৰলু, কিন্তু মই তাইক মাত নিদ্‌লু—চিধাই গৈ বিচ্‌নাতে কাতি দিলু, মূৰটো অলপ অলপ ভাল লাইগবা ধইৰালক। অলপ পাচতি চম্পাৰ কাপোৰৰ খচ্ খচ্ আৰ ভৰিৰ খচ্ খচ্ শুইনবা পালু, তাৰ পাছত ইকৰাৰ ফাকেদি মোৰ বিচ্‌নাত এক মোক্‌ৰা পোহাৰ আহিল—তুলসীতলত চম্পাই চাকি দিলাক। মই ভাইবলু চম্পাক মাত দিও, মোৰ মূৰটো অলপ টিপি দিয়ক, তেন্‌তে জোতাৰ কেঁচ কেঁচ শুইন্‌বা পালু, জপনাখান তুলি পিয়নাথ আইহ্‌লাক, সেইথাকি মই আৰ চম্পাক মাত নিদলু। 'আজি চোন গটে ফুট গধূলিতে আইহ্‌লি', চম্পাই কোৰা শুইন্‌লু—'কাকনো চাবা আইহ্‌লি?' পিয়নাথে কোৰা শুইন্‌লু, 'আৰ নো কাক চাবা আহিম, এটো ঘৰত নো আৰ কুনি আছে?' চম্পাই কৈছি, 'কিয়া, আজি আৰ থাইকবা নেদ্‌লাক?' পিয়নাথে বিচূৰ্ত্তি খাবাৰ দৰে কৈছি, 'কি—কি থাইক্‌বা নেদ্‌লাক? এই, এইগিলান কি কথা কবাহ্ ধইৰছাহ্—' আৰ তাৰ পাছত কি কলাক শুইন্‌বা নাপ্‌লু, দুইটা সেহনাৰ ঘৰৰ পিনি গুচি গেল। মোৰ মূৰটো আকৌ বিহাবা ধইৰলাক, সিহঁত দুটাই চিঞাঁৰা চিঞাঁৰা হেন কৰি কিবা কথা কৈছি, মই ধইৰবা ন'ৰ্‌লু। তেন্‌তে শুনো, পিয়নাথে কৈছি, 'হিঃ, সেটো এটা কথা হবা পাৰে না— ঘৰ এৰি নায্‌বি বুলিই মোৰ লগত বিয়া সোম্‌বি, নহ্‌লি নোসোম্‌লি হয়, সেইগিলান কথা এথেন ক'লিই হ'ল না—সেইগিলান নহ্‌ব, এথেন ঘৈন্নেকৰ দৰ নাথাক্‌লিই হ'ব না......' তাৰ পাছত হঠাতি শুনো চম্পাই খিলিক্ খিলিক্‌কে সৰুতি হাঁহাৰ দৰে হাঁইহ্‌বা ধইৰছি, আৰ কবা ধইৰছি, '—নুচ্‌বি—কেৎকুতি লাগে—মৰি যাম—মৰি যাম—নাই, নাই, হাততো কেৎকুতি লাগে—' আকৌ খিলিক্ খিলিক্‌কে হাঁইহছি, আৰ ইপিনিৰ পৰা সিপিনি দাউৰছি আৰ কৈছি—"নাই, নাই, বুকুতো কেৎকুতি লাগে—অ, অ, এতেও, এতেও—অ, অ—ক'তো নুচ্‌বি—চবতে কেৎকুতি—**নুচ্‌বি**—নুচ্‌বি—" আৰ এন্‌কে জিকাৰ দি দি তাইৰ হাঁহিটো ঘৰৰ চোতালৰ পিনি ওলাই আইহবা ধইৰছি—

আন্ধাৰতে মই বিছ্‌নাৰ পৰা নুইঠ্‌লু, চম্পা কেমানদূৰ ওলই গেছি চাবাও ন'ৰ্‌লু, একো কইৰবা ন'ৰি পিয়নাথ ভেবাৰ দৰে ৰাগ কৰি থিয়া দি চাবা লাইগছি না কি কইৰছি সেটোও চাবা ন'ৰলু। চোতালৰ দিকিৰ পৰা মোৰ আপীটোৰ টান খিলিক্ খিলিক্ হাঁহি শুইন্‌বা ধইৰলু, এমান জিকাৰ থাই থাই হাঁইহ্‌ছি— মই ভাইবলু, শেষ-মেষ এটোহে হ'ল না, আৰ পিয়নাথৰ ভেবা মুখখানৰ কথা ভাবিও মোৰো ভিত্‌ৰি ভিত্‌ৰি হাঁহি হেন উইঠ্‌বা খুইজলাক, ৰাৱ নক্‌ৰাকেই মোৰো বুকখান হাঁহি হাঁহি হেন কৰি জিকাৰ খাই খাই উইঠ্‌বা ধইৰ্‌লাক, হাঁহি হাঁহি মোৰো গটে চকুৰ পানী ওল্‌বা ধইৰ্‌লাক—